# আনলোকক তেওঁৰ শুভবাৰ্ত্তা কবলৈ যীচুৱে তেওঁৰ অনুগামী সকলক কৈছিল

### সহজ বাক্যৰে কিদৰে শুভবাৰ্ত্তা ক'ব ল'ৰা-ছোৱালীক শিকাওঁক

**প্ৰাৰ্থনা ঃ** প্ৰিয় প্ৰভু, যীচুৰ শুভবাৰ্ত্তাৰ বিষয়ে কবলৈ ল'ৰা-ছোৱালীয়ে জানিবলৈ অনুগ্ৰহ কৰি সহায় কৰক।

তলত দিয়া ল'ৰা-ছোৱালীয়ে শিকিবলগীয়া যিকোনো অথবা আটাইবোৰ কাম বাচি লওঁক।

মৃত্যুৰ পৰা জী উঠি যীচুৱে কেনেকৈ শুভবাৰ্ত্তা কৈছিল, সেই কাহিনীটো কোনো এগৰাকী ল'ৰা/ছোৱালী অথবা শিক্ষকে পঢ়ক, **লূক ২৪ঃ১-৮ আৰু ৩৬-৫০।** আমি কেনেকৈ আনক চমুকৈ শুভবাৰ্ত্তা ক'ব পাৰোঁ তাকে এই কাহিনীয়ে বুজায়।



কাহিনীটো কোৱা পিছত প্ৰশ্ন কৰক ঃ

- যীচুক মৃত্যুৰ পৰা পুনৰুত্থিত হোৱা দেখি, শিষ্যবিলাকক কিহে ভয় খুৱাইছিল? *(উত্তৰ ঃ ৩৭ পদ)*
- যীচু যে তেজ মঙহৰে মানুহ তাক তেওঁ কেনেকৈ দেখুৱালে? *(৩৯-৪৩)*
- যীচুৰ বিষয়ে ভৱিষ্যতবানী কোৱা আমি বাইবেলৰ ক'ত পাওঁ? *(৪৪)*
- খ্ৰীষ্টৰ কি ঘটিব বুলি বাইবেল শাস্ত্ৰই কয়? *(৪৬)*
- আটাই জাতিবিলাকলৈ কি ঘোষণা কৰিবলৈ যীচুৱে আমাক কয়? *(৪৭)*
- ওপৰৰ পৰা কি পাব বুলি যীচুৱে তেওঁৰ শিষ্যবিলাকক প্ৰতিজ্ঞা কৰিছিল? *(৪৯)*
- যীচুৰ স্বৰ্গাৰোহনৰ পিছত শিষ্যবিলাকে কি কৰিলে? *(৫২)*

**শুভবাৰ্ত্তা** বাহিনীৰ কিছু অংশৰ নাট কৰক।

নাটখন প্ৰস্তুত কৰোঁতে ল'ৰা-ছোৱালীৰ লগত আপোনাৰ সময় দিয়ক। আপুনি নাটখন ছুটিকৈ কৰিব পাৰে।

ডাঙৰ ল'ৰা / ছোৱালী অথবা বয়সীয়া সকলক এই কেইটা ভাও দিয়ক........

- বৰ্ণনাকাৰী, কাহিনীটো সংক্ষেপে কওঁক আৰু কি ক'ব লাগে মনত পেলোৱাত সহায় কৰক।
- যীচু, মেজ বা চকী সজাই ৰাখক, আৰু খাবলৈ কিবা সাধাৰণ বস্তু ৰাখক।

সৰু ল'ৰা / ছোৱালীক শিষ্যবিলাকৰ ভাওবোৰ দিয়ক।

## নাটক, ১ম খণ্ড, লূক ২৪ঃ৩৬-৪৩

**বৰ্ণনাকাৰী ঃ** কাহিনীটোৰ ১ম খণ্ড কওঁক (৩৬-৪৩)। কওক, "শিষ্যবিলাকে কি কৈছে শুনক।"

**শিষ্যবিলাক ঃ** "যীচু জীয়াই থাকিব পাৰেনে?" "তেওঁৰ মৃত্যুৰ পৰা জীৱনলৈ পুনৰুত্থিত হবনে?" "পিতৰে তেওঁক দেখা বুলি কলে। ইম্মায়ুৰ শিষ্য দুগৰাকীয়ে তেওঁক দেখা বুলি কলে!" "মই বিশ্বাস নকৰোঁ।

**যীচু ঃ**"তোমালোকৰ শান্তি হওক।"

**শিষ্যবিলাক ঃ** ভয় খোৱা হেন দেখুৱায়। চিঞৰে। কওক, "অহ, নহয়!" "এইয়া ভূতহে!" "মোৰ ভয় লাগিছে!"

**যীচু ঃ** "মই ভূত নহয়। মোক চুই চোৱা! মোলৈ চোৱা। কিবা এটা মোক খাবলৈ দিয়া। ভূতে নাখায়, কাৰণ তাৰ কোনো শৰীৰ নাই!" মোৰ শৰীৰ আছে।

**শিষ্যবিলাক ঃ** যীচুক কিবা এটা খাবলৈ দিয়া। কওক, "চোৱাহঁক, তেওঁ মাছ খাইছে। তেওঁ ভূত হব নোৱাৰে।

## নাটক, ২য় খণ্ড, লূক ২৪ঃ৪৪-৫৩

**বৰ্ণনাকাৰী ঃ** কাহিনীটোৰ ২য় খণ্ড কওক (৪৪-৫৩ পদ)। কওক, "যীচুৱে কি কয় শুনক"।

**যীচু ঃ** "তুমি কিয় আচৰিত হৈছা ? বাইবেলে তোমালোকক কৈছে এইবোৰ মোলৈ ঘটিব। মই যাতনা ভোগ, মৰিব আৰু পুনৰুত্থিত হব লাগিব।"

**শিষ্যবিলাক ঃ** "কেনে আশ্চৰ্য্যজনক! আমি বুজি নাপাওঁ!"

**যীচু ঃ** "এতিয়া তোমালোকে প্ৰত্যেক দেশতে লোকবিলাকৰ আগত মোৰ নামেৰে মন পালটন আৰু পাপ ক্ষমা ঘোষণা কৰিব লাগিব। কিন্তু মোৰ পিতৃয়ে তেওঁৰ শক্তিৰে মোৰ সাক্ষী হবলৈ তেওঁৰ আত্মা নপঠোৱালৈকে ৰৈ থাকা। আহাঁ, আমি যাওঁ।"

**আটাইবিলাক ঃ** অলপ সময় একেলগে অহা-যোৱা কৰে।

**যীচু ঃ** "আশীৰ্ব্বাদ দিবলৈ হাত দাঙে, আৰু পিছত 'স্বৰ্গলৈ' যায় (চকী অথবা এখন মেজৰ ওপৰত উঠি যায়)।

**শিষ্যবিলাক ঃ** মাটিত আঁঠু লৈ ঈশ্বৰৰ আৰাধনাৰ এটি গীত গায়। আটাইবোৰে উঠি কয়, "যীচুৱেই প্ৰভু!" আমি আমাৰ সকলো অন্তৰৰে তেওঁৰ আৰাধনা আৰু পৰিচৰ্য্যা কৰিম!" প্ৰতিজনকে আমি তেওঁৰ বিষয়ে কম।"

**বৰ্ণনাকাৰী বা ডাঙৰ ল'ৰা / ছোৱালী ঃ** নাটখনত সহায় কৰা আটাইকে ধন্যবাদ দিয়ক। শুনাৰ বাবে বয়সীয়াসকলক ধন্যবাদ দিয়ক।

ল'ৰা ছোৱালীয়ে কৰিবলৈ মণ্ডলীৰ চলাওঁতাৰ লগত যোগাযোগ কৰক —

- উপাসনাৰ সময়ত বয়সীয়া সকললৈ নাটখন পৰিবেশন কৰিবলৈ।
- এই অধ্যয়ন আৰম্ভ কৰাৰ ওচৰৰ তালিকাত থকা প্ৰশ্নবোৰ বয়সীয়া সকলক কৰক।
- তেওঁলোকে যুগুত কৰা পদ্য, ছবিবোৰ আৰু অন্য যিকোনো আছে পৰিবেশন কৰক।

ল'ৰা-ছোৱালীক সোধক... "কেতিয়া আমি কেইটামান সাধাৰণ বাক্যৰে ভাল খবৰবোৰ দিব পাৰোঁ, অনুগ্ৰহ কৰি কেইটামান উদাহৰণ দিয়ক ?" (ৰেল গাড়ীত যাওঁতে, বন্ধুবৰ্গক লগ পাবলৈ যাওঁতে, ইত্যাদি।) লোকবিলাকক উদাহৰণ দিবলৈ কওক।

এডাল ক্ৰুচ আকঁক, যাতে ল'ৰা-ছোৱালীয়ে তাৰে নকল আঁকিব পাৰে।



- ডাঙৰ ল'ৰা-ছোৱালীয়ে সৰুবোৰক সহায় কৰক।
- উপাসনাৰ সময়ত বয়সীয়া সকলক এই ছবিবোৰ দেখুৱাবলৈ দিয়ক আৰু যীচুৱে কেনেকৈ যাতনা ভুগিলে আৰু মৰিল বৰ্ণনা কৰক।
- তিনি ভাগত শুভবাৰ্ত্তা কবলৈ দিয়ক ঃ

১।আমাৰ পাপৰ কাৰণে যীচুক শাস্তি বিহা হৈছিল আৰু মৰিল।

২।মৃত্যুৰ পৰা তেওঁ উঠিল আৰু সদায় জীয়াই আছে।

৩।ঈশ্বৰে আমাৰ পাপবোৰ ক্ষমা কৰে আৰু আমাক নতুন জীৱন দিয়ে।

**লূক ২৪ঃ৪৬-৪৯** পদ দিয়া শুভবাৰ্ত্তা মুখস্থ কৰক। সৰু ল'ৰা-ছোৱালীয়ে কেৱল ৪৬ পদটো শিকিব পাৰে।

**পদ্য ঃ** গীতমালা ১৩ঃ৩, ৪ আৰু ৫ পদ কেইটা তিনিটা ল'ৰাছোৱালীক একোটাকৈ আওঁৰাবলৈ দিয়ক।

**প্ৰাৰ্থনা ঃ** "প্ৰিয় প্ৰভু যীচু, বাইবেল শাস্ত্ৰত কোৱাৰ দৰে, আপুনি যাতনা পালে আৰু আমাৰ কাৰণে মৰিল। তিনি দিন পিছত আপুনি পুনৰ জীৱন পালে। আপোনাৰ নামত আমাৰ পাপৰ পৰা মন পালটন কৰিলে আমাক ক্ষমা দান কৰে। আপোনাৰ শক্তিৰে শুভবাৰ্ত্তা কবলৈ আপুনি আপোনাৰ আত্মা আমালৈ পঠিয়ালে। আপুনি আমাক আনন্দেৰে পূৰ কৰে।"

Copyright 2004 © by Paul-Timothy. May be freely copied. Download from www.Paul-Timothy.net